**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-02-2025
**Time :** 1845 hrs

ASSAMESE EVENING BULLETIN
HEADLINES
**::::::::::::::::::::**

০০০০০

১। যোৰহাটত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ সামৰণি। অশ্ৰুসিক্ত নয়নেৰে ভকত-বৈষ্ণৱৰ বিদায়।

২। এডভাণ্টেজ আচাম সন্মিলনে বাণিজ্যৰ বাবে নৱ প্ৰজন্মৰ দক্ষতা বিকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আশা প্ৰকাশ।

৩। সোণোৱাল-কছাৰী সাহিত্য সভাৰ দ্বিবাৰ্ষিক ধেমাজি অধিবেশনৰ অন্তিম দিনা সহস্ৰাধিক সাহিত্যানুৰাগীৰ সমাগম।

৪। ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত পদক জয় কৰা অসমৰ বক্সিং দলটোক অসম বক্সিং সন্থাৰ বৰঝাৰ বিমানবন্দৰত আদৰণি।

*আৰু*

৫। কটকত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতক জয়ৰ বাবে ইংলেণ্ডৰ ৩০৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০

যোৰহাটৰ ম'হবন্ধা এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত চলি থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ পতাকা অৱনমনেৰে চাৰিদিনীয়া কাৰ্যসূচীৰ আজি সামৰণি পৰে। আজি পুৱা ৫ বজাত পৰিৱেশ নিকাকৰণ, প্ৰাতঃ প্ৰসংগৰ লগতে পুৱা ৮ বজাৰ পৰা নৱনিৰ্বাচিত সদস্যসকলৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা আৰু দিনৰ ভাগত সেৱা বাহিনীৰ অন্তৰংগ অনুষ্ঠান, ধৰ্মালোচনী সভাৰো আয়োজন কৰা হয়। বিভিন্ন জিলাৰ পৰা অহা ভকত বৈষ্ণৱে আজি অশ্ৰুসিক্ত নয়নেৰে অধিবেশনথলীৰ পৰা বিদায় লয়।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন তেজপুৰত অনুষ্ঠিত হ'ব। এই বিষয়ে আমাক জনাইছে সাংবাদিক জ্যোতিষ কুমাৰ তামুলীয়ে-

**বাইট**

০০০০

এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণে নতুন প্ৰজন্মৰ বিনিয়োগকাৰীসকলক বিনিয়োগৰ বাবে উপযুক্ত স্থান দিয়াৰ লগতে ৰাজ্যখনৰ নৱ প্ৰজন্মক সময়োপযোগী বাণিজ্যৰ বাবে দক্ষ কৰি তুলিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাজ্যখনৰ বিনিয়োগ আৰু আন্তঃগাথনি বিকাশৰ বাবে আয়োজিত এই সন্মিলনে দেশ বিদেশৰ বিনিয়োগকাৰীসকলক অসমৰ সম্ভাব্য ক্ষেত্ৰসমূহত বিনিয়োগৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে নতুন প্ৰজন্মক বিস্তৰ সুযোগ প্ৰদান কৰিব। ৰাজ্য চৰকাৰে নৱ প্ৰজন্মৰ যুৱক-যুৱতীক দক্ষতা বিকাশৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে অসমৰ ৪৩ খন কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠান আৰু ৩৪ খন পলিটেকনিকক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে বিকশিত কৰা হৈছে। অসমৰ চহকী ঐতিহ্য আৰু বৈচিত্ৰময় সংস্কৃতিয়ে সংস্কৃতিৰ লগতে প্ৰাকৃতিক সম্পদসমূহে অতিজৰে পৰা বহু লোকক আকৰ্ষণ কৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰখনতো বিনিয়োগৰ প্ৰচুৰ সম্ভাৱনা আছে।

তেওঁ কয়, যে এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে অসমৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰা লক্ষ্যত আলোকপাত কৰাৰ লগতে ৰাজ্যখনত বিনিয়োগৰ সম্ভাৱনা বহন কৰা পথ মুকলি কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে অলপতে নতুন দিল্লীত প্ৰধানমন্ত্ৰীৰ লগতে বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমন, পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰকে ধৰি কেইবাগৰাকীও

কেন্দ্রীয় মন্ত্রীক সাক্ষাৎ কৰি এই সন্মিলনলৈ আমন্ত্রণ জনাইছে। এই অনুসৰি দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্রী নৰেন্দ্ৰ মোদী ২৪ ফেব্রুৱাৰীত অসমলৈ আহিব। সেইদিনাই শ্রীমোদীয়ে সন্মিলনৰ সৈতে সংগতি ৰাখি আয়োজিত সৰ্ববৃহৎ ঝুমুৰ নৃত্যৰ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী** উপভোগ কৰিব। ২৫ ফেব্রুৱাৰীত তেওঁ এই সন্মিলন আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই অনুষ্ঠানত ভূটানৰ প্ৰধানমন্ত্রীগৰাকী উপস্থিত থকাৰ কথা।

০০০০০

উত্তৰ পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাথনি সন্মিলন এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত আজি দৰং জিলাৰ অভিভাৱক মন্ত্রী কেশৱ মহন্তই জিলা পৰ্যায়ৰ আয়োজিত এই সন্মিলনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্রীগৰাকীয়ে ৰাজ্যখনৰ উদ্যোগ খণ্ডৰ উন্নয়নৰ জৰিয়তে অৰ্থনৈতিক উত্তৰণ নিশ্চিত কৰাৰ বাবে দৰং, তামুলপুৰ আৰু বজালী জিলাৰ উদ্যোগীসকলৰ সৈতে আলোচনা কৰে। এই অনুষ্ঠানত চিপাঝাৰ আৰু মঙলদৈ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশী আৰু বসন্ত দাসৰ লগতে তিনিওখন জিলাৰ বিভাগীয় শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০

ধেমাজি জিলাৰ জিয়াঢলত অনুষ্ঠিত সোণোৱাল-কছাৰী সাহিত্য সভাৰ দ্বিবাৰ্ষিক ধেমাজি অধিবেশনৰ আজি অন্তিম দিনা সহস্ৰাধিক সাহিত্যানুৰাগীৰ সমাগম হয়। আজি অন্তিম দিনা আয়োজিত বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাত সোণোৱাল-কছাৰীৰ লগতে আন জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিও প্ৰদৰ্শন কৰা হয়। অভিনেতা অৰুণ হাজৰিকাই সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে। সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত আয়োজিত জনগোষ্ঠীয় সমাৰোহ আৰু মুকলি সভাত শিক্ষামন্ত্রী ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰে। মন্ত্রী ডাঃ পেগুৱে তেওঁৰ ভাষণত সোণোৱাল-কছাৰীসকলৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ তথা বিকাশৰ উদ্দেশ্যে অনুষ্ঠানটোৱে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। সভাখনত সোণোৱাল-কছাৰী সাহিত্য সভাই প্ৰকাশ কৰা কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। উল্লেখযোগ্য যে সোণোৱাল-কছাৰীসকলৰ ইতিহাস আৰু লোকসাহিত্যৰ ৫৯খন গ্ৰন্থ দুটা বছৰত প্ৰকাশ কৰি সোণোৱাল-কছাৰী সাহিত্য সভাই ৰাজ্যৰ ভাষা-সাহিত্য আৰু বৌদ্ধিক জগতলৈ অনবদ্য অৱদান আগবঢ়াইছে।

০০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত গুৱাহাটী এছিয়ান চলচ্চিত্ৰ মহোৎসৱত আজি কেইবাখনো চলচ্চিত্ৰৰ প্ৰদৰ্শনৰ লগতে আলোচনা চক্ৰও অনুষ্ঠিত হয়।মহোৎসৱত আজি Teach Me, Second Chance, The Light within, Bahadur The Brave আদি কেইবাখনো চিনেমা প্ৰদৰ্শিত হয়। পুৱা অনুষ্ঠিত এখন আলোচনাচক্ৰত চলচ্চিত্ৰ পৰিচালক অ'নিৰ উপস্থিত থাকে। এই আলোচনাচক্ৰখনৰ আঁত ধৰে জ্যেষ্ঠ সাংবাদিক মৃনাল তালুকদাৰে। দুপৰীয়া Young and Cinema: The Changing face of storytelling শীৰ্ষক আলোচনাচক্ৰখনৰ আঁত ধৰে অপৰাজিতা পুজাৰীয়ে। সন্ধিয়া পৰিচালক ইমতিয়াজ আলি, ৰীমা দাস, অ'নিৰ, কবিৰ খান পৰিচালিত চলচ্চিত্ৰ **মাই মেলবৰ্ণ** প্ৰদৰ্শন কৰা হ'ব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ৩ দিনীয়াকৈ অনুষ্ঠিত এই চলচ্চিত্ৰ মহোৎসৱৰ আজি সামৰণি পৰিব। মহোৎসৱত ইৰাণ, নেপাল, উজবেকিস্তান, কাজাখস্তান, বাংলাদেশ, হংকং, আজাৰবাইজান, ফিলিপিন্‌ছ, শ্ৰীলংকা আৰু তুৰস্কৰ কুৰিখন নিৰ্বাচিত চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। ইয়াৰ লগতে মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো চলচ্চিত্ৰ প্ৰদৰ্শিত হয়।

০০০০০

অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই আজি গুৱাহাটীৰ মুখ্য কাৰ্যালয়ত ৩৫খন জিলাৰ নৱনিৰ্বাচিত জিলা সভাপতিসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। ৰাষ্ট্ৰীয় নেতৃত্বৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত সমাগত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ল'বলগীয়া কাৰ্যপন্থা সন্দৰ্ভত আলোচনা কৰা হয়। ৰাজ্যিক সভাপতি শ্ৰীশইকীয়াই এই সন্দৰ্ভত জিলা সভাপতিসকলক অৱগত কৰাৰ লগতে যাৱতীয় নীতি-নিৰ্দেশনা প্ৰদান কৰে। বৈঠকৰ পাছত শ্ৰীশইকীয়াই সংবাদ মাধ্যমৰ আগত কয় যে ২০২৫ চনটোত বিজেপি দলে জয়েৰে যাত্ৰা আৰম্ভ কৰিছে। এই ধাৰা অব্যাহত থাকিব বুলি উল্লেখ কৰি সভাপতিগৰাকীয়ে লগতে কয় যে অনাগত দিনত পঞ্চায়ত নিৰ্বাচন, স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন আৰু বি টি আৰৰ নিৰ্বাচন

অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। সেয়ে নিৰ্বাচনসমূহত পূৰ্বতকৈ ভাল ফলাফল লাভ কৰাৰ বাবে আজিৰ এই বৈঠকত আলোচনা কৰা হয় বুলি তেওঁ প্ৰকাশ কৰে। বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে এটা গুৰুত্বপূৰ্ণ ঘোষণা কৰি কয় যে মণ্ডল সমিতি, জিলা সমিতি, মৰ্চা আৰু কোষসমূহত পূৰ্বে দায়িত্বত নথকা ৫০ শতাংশ লোকক এইবাৰ দায়িত্ব দিয়া হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত নতুন দিল্লীত পৰীক্ষা পে চৰ্চা শীৰ্ষক অনুষ্ঠানৰ অষ্টম সংস্কৰণ উপলক্ষে শিক্ষাৰ্থীসকলক সম্বোধন কৰিব। ইয়াৰ লগত সংগতি ৰাখি আন আন জিলাৰ লগতে গোলাঘাট জিলাতো বিশেষ স্ক্ৰিনিঙৰ আয়োজন কৰা হৈছে। জিলাখনৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত হ'বলগীয়া এই বিশেষ স্ক্ৰিনিঙত বিশিষ্ট ব্যক্তি, শিক্ষাৰ্থী আৰু অভিভাৱক উপস্থিত থাকিব।

০০০০০

শিৱসাগৰৰ দিখৌমুখৰ আজানপীৰ দৰগাহত কালিৰে পৰা অনুষ্ঠিত বাৰ্ষিক সমুহীয়া দোৱা আৰু জিয়াৰৎ অনুষ্ঠানৰ আজি সামৰণি পৰে। এই উপলক্ষে দৰগাহলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ লগতে অন্য ধৰ্মাৱলম্বী অগণন লোকৰ সমাগম হয়। আজানপীৰ দৰগাহ পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত এই জিয়াৰৎ উপলক্ষে কালি জিকিৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি অনুষ্ঠিত মুকলি সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ কৰবি ডেকা হাজৰিকাই মুখ্য বক্তা হিচাপে অংশ লৈ দিয়া ভাষণত আজানপীৰক সাম্প্ৰদায়িক সম্প্ৰীতিৰ উজ্বল নিদৰ্শন বুলি উল্লেখ কৰে। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সব্যসাচি মহন্তই উদ্বোধন কৰা মুকলি সভাত মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ অনিল শইকীয়াই স'ৰাগুৰিৰ আজান শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে। এই সভাতে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যশ্ৰী ডঃ সৌমাৰজ্যোতি মহন্তই আন এখন গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ডঃ কন্দৰ্প কুমাৰ ডেকা, জিকিৰ গৱেষক হকীকুৰ ৰহমানকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

তিনিচুকীয়া জিলাৰ শদিয়াত আজি শিল্পী ৰাজীৱ শদিয়াৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত হয়। সদ্যপ্ৰয়াত শিল্পীগৰাকীৰ টোপচিঙা গাঁৱত আয়োজিত ৰাজহুৱা আদ্যশ্ৰাদ্ধত বিভিন্ন প্ৰান্তৰ পৰা হাজাৰ হাজাৰ লোক সমবেত হৈছে। ধৰ্মীয় পৰম্পৰাৰে আয়োজিত আদ্যশ্ৰাদ্ধ উপলক্ষে এখন স্মৃতিচাৰণ সভাও অনুষ্ঠিত হয়। এই সভাত শিল্পী মহেন্দ্ৰ হাজৰিকা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ, সাধাৰণ সম্পাদক জগদীশ ভূঞাই অংশগ্ৰহণ কৰে। প্ৰয়াত শিল্পীগৰাকীৰ ন্যাসৰ এটা বিত্তীয় লেনদেন ক'ড মহেন্দ্ৰ হাজৰিকাই উন্মোচন কৰে।

০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত পদক জয় কৰা অসমৰ বক্সিং দলটো আজি গুৱাহাটীত উপস্থিত হৈছে। বিমানযোগে অহা খেলুৱৈকেইগৰাকীক বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত আদৰণি জনোৱা হয়। অসম বক্সিং সন্থাৰ বিষয়ববীয়াসকলে স্বৰ্ণপদক জয়ী অংকুশিতা বড়ো, ৰূপৰ পদক জয়ী শিৱ থাপা আৰু অভিনৱ শইকীয়াক আদৰণি আৰু সম্বৰ্দ্ধনা জনায়। ক্ৰীড়া সমাৰোহখনত ব্ৰঞ্জৰ পদক জয় কৰা আইকন মিলিকো অসম বক্সিং সন্থাই সম্বৰ্দ্ধনা জনায়। আজি গুৱাহাটীত উপস্থিত হৈ বক্সাৰ অভিনৱ শইকীয়াই এইদৰে কয় -

**বাইট (অভিনৱ)**

আনহাতে, ব্ৰঞ্জৰ পদক জয়ী আইকন মিলিয়ে এইদৰে কয় -

**বাইট (আইকন)**

০০০০০

ইংলেণ্ডৰ কটকত আজি অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতক জয়ৰ বাবে ৩০৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত জিকি প্ৰথমে বেট ধৰি ভ্ৰমণকাৰী দলটোৱে আটাইকেইটা উইকেট হেৰুৱাই ৩০৪ ৰাণ

সংগ্ৰহ কৰে। দলৰ হৈ জ' ৰুটে সৰ্বাধিক ৬৯, বেন ডাকেটে ৬৫ আৰু লিয়াম লিভিংষ্টনে ৪১ ৰাণৰ বৰঙণি আগবঢ়ায়। জছ বাটলাৰ ৩৪ আৰু হেৰি ব্ৰুকে ৩১ ৰাণ সংগ্ৰহ কৰে। দলটোৱে আৰম্ভণিতে আক্ৰমণাত্মক বেটিং কৰিছিল যদিও ভাৰতীয় বলাৰৰ নিয়ন্ত্ৰিত বলিঙৰ সন্মুখত শেষৰফালে নিয়মীয়া ব্যৱধানত উইকেট হেৰুৱায়। ভাৰতৰ হৈ বলিং অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাদেজাই সৰ্বাধিক তিনিটা উইকেট দখল কৰে। মহম্মদ ছামি, হৰ্ষিত ৰাণা, হাৰ্দিক পাণ্ডিয়া আৰু বৰুণ চক্ৰৱৰ্ত্তীয়ে এটাকৈ উইকেট ভগায় লয়। বাতৰি যুগুতোৱাৰ পৰলৈ ফ্লাডলাইটৰ বিজুতিৰ বাবে খেল বন্ধ ৰখাৰ সময়ত এটাও উইকেট নেহেৰুৱাকৈ ৪৮ ৰাণ কৰি আছে।

০০০০০

ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে অসম চৰকাৰে আয়োজন কৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ প্ৰতিযোগিতাসমূহ বিভিন্ন জিলাত চলি আছে। যোৰহাট সাঁতোৰ সন্থাৰ জলক্ৰীড়া প্ৰকল্পত আজি এই প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰা হয়। মাণ্ডলিক পৰ্যায়ৰ সাঁতোৰ প্ৰতিযোগিতাত যোৰহাট, গোলাঘাট, মাজুলী আৰু শিৱসাগৰ জিলাৰ খেলুৱৈসকলে অংশগ্ৰহণ কৰে।

কোকৰাঝাৰ জিলাতো আজি খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ অধীনত সাঁতোৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ১৭ বছৰ অনুৰ্ধ শাখাত কমেও ৫০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। গোসাইগাওঁৰ বিধায়ক জিৰণ বসুমতাৰীয়ে প্ৰতিযোগিতা শুভাৰম্ভ কৰি প্ৰতিযোগীসকলক ক্ৰীড়াৰ ক্ষেত্ৰত উৎকৰ্ষ সাধনৰ বাবে পৰামৰ্শ দিয়ে। অনুষ্ঠানত অসম অলিম্পিক সংস্থাৰ উপ সভাপতি কবিৰঞ্জন ব্ৰহ্ম, কোকৰাঝাৰ জিলাৰ আযুক্ত শুভম আদিত্য বৰাৰ উপৰি কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০

ধেমাজী জিলাৰ দুগ্ধ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে আজি শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ উপস্থিতিত জিলাখনৰ পশুপালন, দুগ্ধ উন্নয়ন, গ্ৰামোন্নয়নকে ধৰি কেইবাটাও বিভাগৰ বিষয়াসকল এখন বৈঠকত মিলিত হয়। এই বৈঠকত দুগ্ধ উৎপাদন বৃদ্ধিৰ বাবে জিলা পৰ্যায়ত বছৰযোৱা পৰিকল্পনা যুগুত কৰা হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে জিলাখনত দুগ্ধ উৎপাদন বৃদ্ধি কৰি পৰ্যাপ্ত প্ৰয়োজন পূৰণ কৰিব পৰা অৱস্থালৈ অনাৰ লগতে ৰাজ্যখনৰ অন্যান্য অংশলৈ প্ৰেৰণৰ দিহা কৰিবলৈ পৰামৰ্শ দিয়ে।

০০০০০

বৰপেটা সত্ৰৰ শাখা সত্ৰ সমাজৰ সপ্তম দ্বিবাৰ্ষিক বৰপেটা অধিবেশন উপলক্ষে আজি ভাগৰত শোভাযাত্ৰা উলিওৱা হয়। বৰপেটা সত্ৰৰ বুঢ়াভকত নাৰায়ণ আতৈয়ে শোভাযাত্ৰা মুকলি কৰে। বৰপেটাৰ মধ্য মেটুৰাকুছি গৰখীয়া নামঘৰ চৌহদৰ পৰা আৰম্ভ হোৱা এই শোভাযাত্ৰাত বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ড০ বাবুল চন্দ্ৰ দাস, ডেকাসত্ৰীয়া গৌতম পাঠককে ধৰি শতাধিক ভকত আৰু আই-মাতৃয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত অধিবেশন উপলক্ষে নাম-প্ৰসঙ্গ, পৰম্পৰাগত চৰিত তোলা, থানৰ বাতৰি লোৱা, ধৰ্মালোচনী সভা আদি বিভিন্ন কাৰ্যসূচী আয়োজিত হয়।

০০০০০

দৰং জিলাৰ মঙলদৈৰ নিকটৱৰ্ত্তী চপাইত মুক্তিযুঁজাৰু প্ৰয়াত নিধিৰাম চহৰীয়াৰ জন্ম শতবাৰ্ষিকী আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। দৰং জিলা মুক্তিযুঁজাৰু সন্মিলনৰ উদ্যোগত আৰু পৰিয়ালৰ সহযোগত চপাই যুৱ কল্যাণ কেন্দ্ৰ প্ৰাঙ্গনত আয়োজিত জন্ম শতবাৰ্ষিকী অনুষ্ঠান উপলক্ষে মুকলি সভা অনুষ্ঠিত হয়। অনুষ্ঠানত দূৰদৰ্শনৰ এসময়ৰ বাতৰি পৰিবেশক তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ড০ আৰতি কলিতাই এখন গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ উপ-সভাপতি জিতেন ভাগৱতী, লেখক কুমুদ চন্দ্ৰ ডেকা, সাহিত্যিক পৃথুৰাম বৰুৱাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানত অনাতাঁৰ শিল্পী দ্বিজেন্দ্ৰ মোহন দেৱশৰ্মা আৰু সূৰ্যকান্ত শৰ্মাই গীত পৰিবেশন কৰে। ইয়াৰ পূৰ্বে প্ৰয়াত মুক্তিযুঁজাৰুগৰাকীৰ প্ৰতিচ্ছবিত তেওঁৰ সহধৰ্মিনী ললিতা চহৰীয়াই মাল্যাৰ্পণ কৰে।

০০০০০

সমাপ্ত